বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## ৰছুলুল্লাহ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ মহান উদাৰতা আৰু দানশীলতাৰ পবিত্ৰ আদৰ্শৰ আলোকত তেখেতৰ মহৎ চৰিত্ৰৰ এক হৃদয়স্পৰ্শী আলোচনা

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ১২ জুন ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবদ (ইউ,কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে ছুৰা আল-বাকাৰাৰ ২৭৫ নম্বৰ আয়াত আৰু ছুৰা আজ-জাৰিয়াতৰ ২০ নম্বৰ আয়াত তিলাৱাত কৰাৰ পিছত হুজুৰ-এ-আনোৱাৰ (আইয়াদাহুল্লাহু তা'আলা বিনাচৰিহিল আজিজ) কৈছে,

মই পাঠ কৰা প্ৰথম আয়াতটো ছুৰা আল-বাকাৰাৰ, যাৰ অনুবাদ হ'ল— যিসকলে নিজৰ ধন-সম্পত্তি ৰাতি আৰু দিনত, গোপনে আৰু প্ৰকাশ্যে আল্লাহৰ পথত খৰচ কৰে, তেওঁলোকৰ বাবে তেওঁলোকৰ প্ৰতিপালকৰ ওচৰত প্ৰতিদান সংৰক্ষিত আছে; আৰু তেওঁলোকৰ কোনো ভয় নাথাকিব আৰু তেওঁলোক চিন্তিতও নহ'ব।

দ্বিতীয় আয়াতটো ছুৰা আজ-জাৰিয়াতৰ, য'ত আল্লাহ তা'লাই কৈছে— আৰু তেওঁলোকৰ ধন-সম্পত্তিত প্ৰাৰ্থনাকাৰী (সহায় বিচৰা লোক) আৰু যিসকলে খুজিব নোৱাৰে (অভাৱী কিন্তু আত্মসংযমী লোক), তেওঁলোকৰো অধিকাৰ আছিল।

আজি মই হজৰত মুহম্মদ মুস্তাফা চাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ দানশীলতা আৰু উদাৰতাৰ আদৰ্শ সম্পৰ্কে কিছুমান ৰেৱায়ত (পৰম্পৰাগত বৰ্ণনা) দাঙি ধৰিম। এই ৰেৱায়তসমূহৰ পৰা গম পোৱা যায় যে তেখেত (চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) ৰ নিজৰ আমল (কাৰ্য্য) কেনেকুৱা আছিল আৰু তেখেতে কেনেকৈ মুমিনসকলক এই সন্দৰ্ভত বাৰে বাৰে মনোযোগ আকৰ্ষণ কৰাইছিল।

পবিত্ৰ কোৰআনত আল্লাহ তা'লাই অভাৱী লোকসকলৰ প্ৰয়োজন পূৰণ কৰাৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। হজৰত মুহম্মদ চাল্লাল্লাহু আলাইহি ৱা ছাল্লামেও এই দিশত কেৱল নিজৰ বাণীৰ দ্বাৰাই নহয়, বৰঞ্চ নিজৰ ব্যৱহাৰিক আদৰ্শৰ দ্বাৰাও বিশেষ মনোযোগ আকৰ্ষণ কৰাইছিল।

হজৰত আনছ ৰাজিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে যে, হুজুৰ (চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) এ এই প্ৰাৰ্থনামূলক বাক্যসমূহৰ সৈতে দোৱা কৰিছিল— হে আল্লাহ! মই তোমাৰ ওচৰত কৃপণতা, এলেহুৱা ভাব, আটাইতকৈ বেয়া বয়স (বাৰ্ধক্য), কবৰৰ আজাব (শাস্তি) আৰু জীৱন তথা মৃত্যুৰ ফিৎনা (পৰীক্ষা/বিপদ)ৰ পৰা আশ্ৰয়ৰ প্ৰাৰ্থনা কৰিছোঁ। হজৰত আনছ (ৰা:) ৰ পৰাই বৰ্ণিত হৈছে, তেওঁ কৈছে যে নবী চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে এইদৰে দোয়া কৰিছিল:

اَللّٰهُمَّ إِنِّيْ أَعُوْذُ بِكَ مِنَ الْهَمِّ وَالْحَزَنِ، وَالْعَجْزِ وَالْكَسَلِ، وَالْجُبْنِ وَالْبُخْلِ، وَضَلَعِ الدَّيْنِ وَغَلَبَةِ الرِّجَالِ۔

**অৰ্থ:** হে আল্লাহ! মই আপোনাৰ ওচৰত আশ্ৰয় বিচাৰিছোঁ চিন্তা আৰু দুখ-কষ্টৰ পৰা, অপাৰগতা (অক্ষমতা) আৰু এলেহুৱাভাৱৰ পৰা, ভীৰুতা (কাপুৰুষতা) আৰু কৃপণতাৰ পৰা, ঋণৰ বোজা আৰু মানুহৰ দমন (অত্যাচাৰ)ৰ পৰা। আল্লাহ তা'লাৰ পথত খৰচ কৰা সন্দৰ্ভত নবী কৰীমে (ছাঃ) এ এইদৰে উপদেশ দিছে যে, মোনাৰ মুখখন বান্ধি নাৰাখিবা, অন্যথা তোমালোকৰ পৰাও ৰিজিক বন্ধ কৰি দিয়া হ'ব। তেখেতে কৈছে: দান কৰাৰ সময়ত গণনা কৰি নাথাকিবা, অন্যথা আল্লাহেও তোমাক হিচাপ কৰি কৰিহে দিব।

তেখেতে কৈছে: উদাৰ বা দানশীল ব্যক্তিজন আল্লাহৰ ওচৰত, জান্নাতৰ ওচৰত আৰু মানুহৰ ওচৰত থাকে আৰু জাহান্নামৰ জুইৰ পৰা আঁতৰত থাকে। আনহাতে, কৃপণ ব্যক্তিজন আল্লাহ, জান্নাত আৰু মানুহৰ পৰা আঁতৰত থাকে, কিন্তু জাহান্নামৰ জুইৰ ওচৰত থাকে। প্ৰতাৰক, কৃপণ আৰু উপকাৰ কৰি অহংকাৰ কৰা ব্যক্তি জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব। এজন মুমিন (বিশ্বাস কৰা ব্যক্তি) সৰলমনা আৰু দানশীল হয়, আনহাতে এজন পাপী (ফাজিৰ) ব্যক্তি প্ৰতাৰক আৰু নীচ মনোভাৱৰ হয়।

এটা প্ৰসংগত উপদেশ দি তেখেতে (ছাঃ) এ কৈছে যে, হে আদম সন্তান! তোমাৰ প্ৰয়োজনতকৈ অতিৰিক্ত ধন-সম্পদ খৰচ কৰাটো তোমাৰ বাবে কল্যাণকৰ। তাক জমা কৰি ৰখাটো তোমাৰ বাবে বেয়া, অৱশ্যে প্ৰয়োজন অনুসৰি জমা কৰি ৰাখিলে তাৰ বাবে ভৰ্ৎসনা বা দোষাৰোপ কৰা নহ'ব। তুমি তাৰ পৰা আৰম্ভ কৰা যাৰ প্ৰতিপালনৰ দায়িত্ব তোমাৰ ওপৰত আছে। ওপৰৰ হাতখন (দান কৰা হাতখন) তলৰ হাতখনতকৈ (গ্ৰহণ কৰা হাতখনতকৈ) শ্ৰেষ্ঠ।

এবাৰ মহানবী (ছাঃ) হজৰত বিলাল (ৰাঃ) ৰ ওচৰলৈ আহিছিল। তেতিয়া তেওঁৰ ওচৰত খেজুৰৰ এটা দ'ম জমা হৈ আছিল, যিটো তেওঁ নবী (ছাঃ) আৰু তেখেতৰ অতিথি সকলৰ বাবে সংগ্ৰহ কৰি ৰাখিছিল। মহানবী (ছাঃ) এ হজৰত বিলাল (ৰাঃ) ক সম্বোধন কৰি ক'লে, তুমি এই কথাটোলৈ ভয় নকৰা নে যে এই জমা কৰি ৰখা বস্তুৰ বাবে জাহান্নামৰ উত্তপ্ত শিখা আহি পাবহি? ইয়াৰ পিছত তেখেতে কৈছিল, হে বিলাল! খৰচ কৰি থাকা। আৰ্শৰ অধিকাৰী আল্লাহ থকা অৱস্থাত দৰিদ্ৰতা বা অনাহাৰলৈ ভয় নকৰিবা।'

আন এটা প্ৰসংগত মহানবী (ছাঃ) এ কৈছে, "মই তো কেৱল বিতৰণকাৰীহে, প্ৰকৃততে দান কৰোঁতাজন হৈছে আল্লাহ।"

উদাৰতা আৰু দানশীলতাৰ গুণটো তেখেত (ছাঃ) ৰ মাজত নবুৱত লাভৰ পূৰ্বেও আছিল, যাৰ প্ৰমাণ আমি হজৰত খাদিজা (ৰাঃ) ৰ সেই বক্তব্যত পাওঁ, যিটো তেওঁ প্ৰথম ওহী (ঐশ্বৰিক বাণী) অৱতীৰ্ণ হোৱাৰ সময়ত দিছিল।

তেওঁ (হজৰত খাদিজা ৰাঃ) এ কৈছিল, "উদ্বিগ্ন হোৱাৰ কোনো প্ৰয়োজন নাই। আল্লাহৰ শপত! আল্লাহে আপোনাক কেতিয়াও অপমানিত নকৰে। আপুনি আত্মীয়তাৰ সম্পৰ্ক বজাই ৰাখে, অসহায় আৰু দুৰ্বলৰ বোজা বহন কৰে, হেৰাই যোৱা বা বিলুপ্ত হোৱা সৎ কৰ্মসমূহ কৰে, অতিথি সেৱা কৰে আৰু প্ৰকৃত বিপদ-আপদৰ সময়ত সহায় কৰে।

মহানবী (ছাঃ) এ কৈছে যে মুমিনৰ মাজত দুটা অভ্যাস কেতিয়াও থাকিব নোৱাৰে– এটা হৈছে কৃপণতা আৰু আনটো হ'ল বেয়া চৰিত্ৰ (অসদাচৰণ)। তেখেতে কৈছে "অবিচাৰ আৰু অত্যাচাৰৰ পৰা বাচি থাকা... কৃপণতা আৰু লোভ-লালসাৰ পৰা আঁতৰি থাকা, নিশ্চয়কৈ কৃপণতাই তোমালোকৰ পূৰ্বপুৰুষসকলক ধ্বংস কৰিছিল। কোনো বান্দাৰ (মানুহৰ) অন্তৰত লোভ, কৃপণতা আৰু ঈমান (বিশ্বাস) একেলগে থাকিব নোৱাৰে।

হজৰত আনছ (ৰাঃ) এ বৰ্ণনা কৰিছে যে আল্লাহৰ ৰাছুল (ছাঃ) মানুহৰ ভিতৰত আটাইতকৈ ধুনীয়া (সুন্দৰ), আটাইতকৈ বেছি দানী (উদাৰ) আৰু আটাইতকৈ বেছি সাহসী আছিল।

তেখেত (ছাঃ)এ কৈছিল, "আল্লাহ সকলো উদাৰ ব্যক্তিতকৈয়ো অধিক উদাৰ আৰু মই আদম সন্তানৰ (মানৱ জাতিৰ) ভিতৰত আটাইতকৈ বেছি উদাৰ।"

বৰ্ণনাসমূহত উল্লেখ আছে যে পবিত্ৰ ৰমজান মাহত পবিত্ৰ নবী (ছাঃ)এ অতিমাত্ৰা উদাৰতা প্ৰদৰ্শন কৰিছিল আৰু কল্যাণ তথা দান-দক্ষিণাৰ ক্ষেত্ৰত আপুনি ধুমুহাতকৈয়ো অধিক ক্ষিপ্ৰ হৈ পৰিছিল। তেখেত (ছাঃ)এ কৈছিল, "যদি মোৰ ওচৰত তিহামা পাহাৰৰ সমান সোণ থাকিলহেঁতেন, তেন্তে মই সেই সকলোবোৰ তোমালোকৰ মাজত বিলাই দিলোহেঁতেন আৰু তোমালোকে মোক মিছা কোৱা বা কৃপণ বুলি নাপালাহেঁতেন।"

তেখেত (ছাঃ)এ আৰু কৈছে, মই এইটো পছন্দ নকৰোঁ যে মোৰ ওচৰত ওহুদ পাহাৰৰ সমান সোণ থাকক আৰু তৃতীয়টো ৰাতি পাৰ হৈ যাওক, অথচ তাৰ পৰা এটা দীনাৰো মোৰ ওচৰত অৱশিষ্ট থাকক; কেৱল সেইখিনিৰ বাহিৰে যিখিনি মই ঋণ পৰিশোধ কৰাৰ বাবে ৰাখি থৈছোঁ।

তেখেত (ছাঃ) এ কৈছে, যিসকল অতি চহকী কিন্তু অভাৱীসকলৰ বাবে খৰচ নকৰে, তেওঁলোকেই কিয়ামতৰ (পুনৰুত্থানৰ) দিনা আটাইতকৈ বেছি দৰিদ্ৰ হ'ব।

এবাৰ এজন ব্যক্তিয়ে পবিত্ৰ নবী (ছাঃ)ৰ ওচৰত দুখন পাহাৰৰ মাজত থকা সকলোবোৰ ছাগলী খুজিছিল। তেখতে (ছাঃ)এ তাক সেই সকলোবোৰ দান কৰিলে। সেই ব্যক্তিজনে নিজৰ সম্প্ৰদায়ৰ ওচৰলৈ গৈ ক'লে, হে মোৰ সম্প্ৰদায়ৰ লোকসকল! ঈমান আনা (ইছলাম গ্ৰহণ কৰা)! আল্লাহৰ শপত! মুহম্মদ (ছাঃ) এ ইমান বেছি দান কৰে যে দৰিদ্ৰতাৰ কোনো ভয় নাথাকে।

কেতিয়াবা কোনো ব্যক্তিয়ে কেৱল পাৰ্থিৱ জগতৰ স্বাৰ্থতো ইছলাম গ্ৰহণ কৰিছিল, কিন্তু পৰৱৰ্তী সময়ত তেওঁৰ বাবে ইছলাম এই পৃথিৱী আৰু ইয়াৰ সকলো বস্তুতকৈয়ো অধিক প্ৰিয় হৈ পৰিছিল।

পবিত্ৰ নবী (ছাঃ) এ অহা কাইলৈৰ বাবে কোনো বস্তু সাঁচি নাৰাখিছিল। এবাৰ নবী কৰীম (ছাঃ)এ আছৰৰ নামাজ পঢ়োৱাৰ পিছত খৰখেদাকৈ ঘৰলৈ গ'ল আৰু তাৰ পিছত পুনৰ বাহিৰলৈ ওলাই আহিল। সোধাত তেখেতে জনালে, মই চাদকাৰ (দানৰ) ধনৰ পৰা সোণৰ টুকুৰা এটা ঘৰত এৰি থৈ আহিছিলো। মই এইটো পছন্দ নকৰিলোঁ যে এইটো গোটেই ৰাতিটো মোৰ ওচৰত থাকক, গতিকে মই ইয়াক বিতৰণ কৰি দিলোঁ।

হজৰত উম্মে ছালমা (ৰাঃ) এ বৰ্ণনা কৰিছে যে এবাৰ নবী (ছাঃ) এ মোৰ ওচৰলৈ আহিছিল আৰু তেওঁৰ মুখমণ্ডলৰ ৰং সলনি হৈ আছিল। মই ভাবিলোঁ হয়তো কোনো কষ্ট বা বিষৰ বাবে এনে হৈছে। মই সুধিলোঁ, হে আল্লাহৰ ৰছুল (ছাঃ)! আপোনাৰ মুখৰ ৰং সলনি হৈ আছে। এইটো কিবা কষ্টৰ বাবে হৈছে নেকি? পবিত্ৰ নবী (ছাঃ)এ ক'লে, নহয়! বৰঞ্চ সেই সাতটা দীনাৰৰ বাবে হৈছে যিবোৰ আমাৰ ওচৰলৈ সন্ধিয়া আহিছিল আৰু ৰাতি পাৰ হৈ গ'ল অথচ আমি সেইবোৰ খৰচ (বিতৰণ) নকৰিলোঁ। মই সেইবোৰ বিছনাৰ চুকত পাহৰি এৰি আহিছিলো যেতিয়া মোৰ মনত পৰিল, তেতিয়া মই অতিশয় কষ্ট পালোঁ। হজৰত মছীহ মাওউদে (আঃ) কৈছে যে পবিত্ৰ নবী (ছাঃ)ৰ অৱস্থা

এনে আছিল যে তেখেতৰ ওচৰত যি আছিল, তেখেতে তাক উদাৰতাৰে দান কৰি দিছিল। পবিত্র নবী (ছাঃ) অতিশয় লজ্জাশীল আছিল। যেতিয়াই তেখেতৰ ওচৰত কিবা বিচৰা হৈছিল, তেখেতে তাক দান কৰি দিছিল। দান কৰাৰ ক্ষেত্রত তেখেত সকলো মানুহতকৈ বেছি দয়ালু আৰু উদাৰ আছিল। এবাৰ তেখেতৰ ওচৰলৈ সত্তৰ হাজাৰ দিৰহাম আহিছিল। এই ধন এটা পাটিৰ ওপৰত ৰখা হৈছিল। তেওঁ এই ধন বিতৰণ কৰিবলৈ থিয় হৈছিল আৰু এনে কোনো প্ৰাৰ্থী অহা নাছিল যাক তেখেত খালী হাতেৰে ওভতাই পঠিয়াইছিল, আনকি তেখেতে গোটেই ধন বিতৰণ কৰি দিছিল। হজৰত উচমান (ৰাঃ)এ পবিত্র নবী মোস্তফা (চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)ক উপহাৰ স্বৰূপে এটা আঙুৰৰ থোপা আগবঢ়াইছিল আৰু এইটোও বৰ্ণনা কৰা হয় যে সেয়া এটা খেজুৰৰ থোপা আছিল। এঠাইত প্ৰথমে আঙুৰ আছে, আন এঠাইত খেজুৰ আছে। যিয়েই নহওক, কোৱা হয় যে তাৰ পিছত এজন ভিক্ষাৰী আহিল আৰু পবিত্র নবীয়ে (চাল্লাল্লাহু আলাইহি ৱা ছাল্লামে) তাক সেইটো দি দিলে। তাৰ পিছত হজৰত উচমানে সেই ভিক্ষাৰীজনৰ পৰা এটা দিৰহাম দি সেইটো কিনি ল'লে। তেওঁ অনা সেই থোপাটো নিশ্চয় কোনো বিশেষ প্ৰকাৰৰ বা ভাল মানৰ খেজুৰ আছিল। তেওঁ সেই ভিক্ষাৰীৰ পৰা এটা দিৰহামত কিনি আকৌ পবিত্র নবী (চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)ৰ সেৱাত আগবঢ়াই দিলে। তাৰ পিছত সেই ভিক্ষাৰীজন পুনৰ আহিল আৰু পবিত্র নবী (ছাঃ) এ তাক আকৌ সেইটো দি দিলে। এইদৰে এই ঘটনাটো তিনিবাৰ ঘটিল। হজৰত উচমানে কিনি নবীৰ (চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম) ক দিছিল, সি আকৌ আহি খুজিছিল আৰু নবী (ছাঃ) এ তাক দি দিছিল। অৱশেষত পবিত্র নবী (চাল্লাল্লাহু আলাইহি ৱা ছাল্লাম)এ মৃদুভাৱে সেই খোজাজনক ক'লে: হে অমুক! তুমি ভিক্ষাৰী নে ব্যৱসায়ী? তুমি খুজিবলৈ আহিছা। ভিক্ষাৰীয়ে এনে নকৰে, তুমি দেখোন দিৰহামো উপাৰ্জন কৰি আছা আৰু ব্যৱসায়ো কৰি আছা। তেখেত (ছাঃ)এ অস্বীকাৰ কৰা নাছিল, কিন্তু অতি প্ৰজ্ঞাপূৰ্ণভাৱে উপদেশ দিছিল যে তুমি যি কৰি আছা সেয়া উচিত কাম নহয়। হজৰত আব্দুল্লাহ বিন চালামৰ প্ৰসংগত হজৰত জাইদ বিন ছানাৰ (ৰাঃ)ৰ ইছলাম ধৰ্ম গ্ৰহণৰ ঘটনা বৰ্ণনা কৰাৰ পিছত ছৈয়দিনা হুজুৰ আনোৱাৰে কৈছে, এয়াই হৈছে তেখেতৰ উত্তম চৰিত্ৰ যে কেৱল ধাৰ লৈ এটা জাতিক ভোকৰ পৰা ৰক্ষাই কৰা নাছিল, বৰঞ্চ নিজৰ মহান চৰিত্ৰৰে এজন ইহুদী বিদ্বানকো মুছলমান কৰি তুলিছিল।

আল্লা-হুম্মা ছাল্লি আলা মুহাম্মাদিন ৱা আলা আলি মুহাম্মাদিন ৱা বাৰিক ৱা ছাল্লিম ইন্নাকা হামিদুম মাজিদ
(হে আল্লাহ! মহম্মদ (ছাঃ) আৰু মহম্মদৰ (ছাঃ)ৰ বংশধৰসকলৰ ওপৰত কৃপা, আশীৰ্বাদ আৰু শান্তি বৰ্ষণ কৰা, নিশ্চয় তুমি প্ৰশংসনীয় আৰু মৰ্যাদাপূৰ্ণ)।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ يأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 12 June 2026

Nazarat Nashor-O-Ishaat Qadian